**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-12-2024
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

----------------------

বাংলাদেশৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক অস্থিৰতাৰ বাবে শেহতীয়াকৈ অসমলৈ ভালেসংখ্যক বাংলাদেশীৰ প্ৰৱেশ ঘটিছে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কালি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কয়, যে বাংলাদেশৰ অৰ্থনীতিৰ অৱনতি আৰু দেশখনৰ বস্ত্ৰ উদ্যোগসমূহ বন্ধ হৈ পৰাৰ ফলত ভাৰতত বাংলাদেশৰ পৰা অনুপ্ৰৱেশ বৃদ্ধি পাইছে। এই সন্দৰ্ভত অসম সজাগ হ'বৰ হ'ল বুলি উল্লেখ কৰি ড° শৰ্মাই কয়, যে ৰাজ্যখনত প্ৰতিদিনে প্ৰায় ২০-২৫ জন বাংলাদেশীক আটক কৰা হৈছে। ৰাজ্যখনত নজনাকৈ কিমান বাংলাদেশীৰ অনুপ্ৰৱেশ ঘটিছে, সেয়া নিৰ্ণয় কৰাটো কঠিন বুলিও তেওঁ মন্তব্য কৰে। ৰাজ্যত জেহাদীৰ তৎপৰতা বৃদ্ধি পোৱা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে এনে সংগঠনৰ সৈতে জড়িত কেইবাজনকো আৰক্ষীয়ে অস্ত্ৰ-শস্ত্ৰসহ গ্ৰেপ্তাৰ কৰিছে।

০০০০০০

ৰাজ্যত আধাতে বিদ্যালয় এৰা শিক্ষাৰ্থীৰ সংখ্যা উদ্বেগজনকভাৱে বৃদ্ধি পোৱাৰ বিষয়টো লৈ ৰাজ্য চৰকাৰ চিন্তিত হোৱাৰ লগতে এই দিশত যথোচিত ব্যৱস্থাও গ্ৰহণ কৰিছে। এই সন্দৰ্ভত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে জনোৱা অনুসৰি ইতিমধ্যে ৰাজ্য চৰকাৰে যিকেইখন জিলাত আধাতে বিদ্যালয় এৰা শিক্ষাৰ্থীৰ সংখ্যা বৃদ্ধি পাইছে সেয়া চিনাক্ত কৰি এই দিশত তৎপৰতাৰে কাৰ্যপন্থা গ্ৰহণ কৰিছে। মন্ত্ৰীগৰাকীয়ে জনোৱা অনুসৰি ৰাজ্যত মূলতঃ চাহ বাগিচা আৰু চৰ অঞ্চলসমূহত সৰ্বাধিক ছাত্ৰ-ছাত্ৰীয়ে আধাতেই বিদ্যালয় ত্যাগ কৰাৰ তথ্য পোহৰলৈ আহিছে। ইয়াৰ কাৰণ বিশ্লেষণ কৰি ইতিমধ্যে চাহ বাগিচা অঞ্চলত নতুনকৈ ১০০ খন আদৰ্শ বিদ্যালয় স্থাপন কৰাৰ কথাও মন্ত্ৰী ডাঃ পেগুৱে জানিবলৈ দিয়ে। চৰ অঞ্চলতো শীঘ্ৰেই একেই ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি তেওঁ ব্যক্ত কৰে। উল্লেখযোগ্য যে কেন্দ্ৰীয় শিক্ষা মন্ত্ৰালয়ে অলপতে প্ৰকাশ কৰা প্ৰতিবেদন অনুসৰি ৰাজ্যত ২০২২-২৩ বৰ্ষত আধাতে বিদ্যালয় এৰা শিক্ষাৰ্থীৰ সংখ্যা পূৰ্বতকৈ ২ শতাংশ বৃদ্ধি পাইছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি ২০২১-২২ বৰ্ষত ৰাজ্যত ৮ দশমিক ৮ - ১ শতাংশ শিক্ষাৰ্থীয়ে আধাতে বিদ্যালয় ত্যাগ কৰিছিল। ২০২২-২৩ বৰ্ষত এই হাৰ ১০ দশমিক ৩ - ০ শতাংশলৈ বৃদ্ধি পায়।

০০০০০০

TET নিযুক্তি পৰীক্ষাত দশম শ্ৰেণী পৰ্যায়ৰ ১৫ নম্বৰ আৰু গণিতৰ প্ৰশ্ন অন্তৰ্ভুক্ত কৰা হ'ব। TET নিযুক্তি পৰীক্ষাত আন প্ৰশ্নৰ লগতে গণিতৰ প্ৰশ্নও অন্তৰ্ভুক্ত কৰা হ'ব বুলি নতুন পাঠ্যক্ৰম প্ৰকাশ কৰাৰ পাছতে প্ৰাৰ্থীসকলৰ মাজত সৃষ্টি হোৱা প্ৰতিক্ৰিয়াৰ উত্তৰত কালি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এইদৰে প্ৰকাশ কৰে। উল্লেখযোগ্য যে পৰীক্ষাৰ কেইদিনমান পূৰ্বে নতুন পাঠ্যক্ৰম প্ৰকাশ কৰাক লৈ ক্ষুণ্ণ হৈ পৰা একাংশ প্ৰাৰ্থীৰ

আবেদনমৰ্মে গুৱাহাটী উচ্চ ন্যায়ালয়ে টেট নিযুক্তি পৰীক্ষা ১৫ দিন পিছুৱাই দিবলৈ নিৰ্দেশ দিছে। সেই অনুসৰি এই পৰীক্ষা ২৯ ডিচেম্বৰৰ পৰিৱৰ্তে ১৯ জানুৱাৰীত অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

০০০০০০

পথ দুৰ্ঘটনা হ্ৰাস কৰাৰ বাবে নৱবৰ্ষৰ প্ৰাকক্ষণত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশক্ৰমে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে আৰক্ষী তথা পৰিবহন বিভাগে সুৰাপায়ী চালকৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ কৰি তুলিছে|কালি নিশা পৰিবহন মন্ত্ৰী যোগন মহনে গুৱাহাটীৰ জিএছ ৰোডত উপস্থিত হৈ নিজে এই অভিযানৰ তদাৰক কৰে| তিনিচুকীয়া জিলা প্ৰশাসনেও সুৰাপায়ী চালকৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে। সমান্তৰালভাৱে হেলমেট পৰিধান নকৰা আৰু যান বাহন আইন ভংগকাৰীক নাকী লগাবলৈ শদিয়া, মাৰ্ঘেৰিটা, তিনিচুকীয়া, ডুমডুমা, ডিগবৈ আদি বিভিন্ন স্থানত দিনে নিশাই ব্যাপক অভিযান চলাই থকা হৈছে। ঢকুৱাখনাতো উদণ্ড বাইকাৰ্ছ , পঞ্জীয়নবিহীন বাইক চালক আৰু ৰাজপথত বাইক ষ্টান্তৰ সমান্তৰালভাৱে সুৰাপান কৰি গাড়ী চলোৱা চালকৰ বিৰুদ্ধে আৰক্ষী তথা আবকাৰী বিভাগে যৌথ অভিযান অব্যাহত ৰাখিছে।ঢকুৱাখনা সদৰ থানা এলেকাত কালি নিশা চলা অভিযানকালত বহু কেইগৰাকী সুৰাসক্ত চালক আৰক্ষীৰ জালত পৰে। স্থানীয় গাঁওৰক্ষী বাহিনীয়েও এই অভিযানত সহযোগিতা আগবঢ়ায়।

০০০০০০

TET নিযুক্তি পৰীক্ষাত দশম শ্ৰেণী পৰ্যায়ৰ ১৫ নম্বৰ আৰু গণিতৰ প্ৰশ্ন অন্তৰ্ভুক্ত কৰা হ'ব। TET নিযুক্তি পৰীক্ষাত আন প্ৰশ্নৰ লগতে গণিতৰ প্ৰশ্নও অন্তৰ্ভুক্ত কৰা হ'ব বুলি নতুন পাঠ্যক্ৰম প্ৰকাশ কৰাৰ পাছতে প্ৰাৰ্থীসকলৰ মাজত সৃষ্টি হোৱা প্ৰতিক্ৰিয়াৰ উত্তৰত কালি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এইদৰে প্ৰকাশ কৰে। উল্লেখযোগ্য যে পৰীক্ষাৰ কেইদিনমান পূৰ্বে নতুন পাঠ্যক্ৰম প্ৰকাশ কৰাক লৈ ক্ষুণ্ণ হৈ পৰা একাংশ প্ৰাৰ্থীৰ আবেদনমৰ্মে গুৱাহাটী উচ্চ ন্যায়ালয়ে টেট নিযুক্তি পৰীক্ষা ১৫ দিন পিছুৱাই দিবলৈ নিৰ্দেশ দিছে। সেই অনুসৰি এই পৰীক্ষা ২৯ ডিচেম্বৰৰ পৰিৱৰ্তে ১৯ জানুৱাৰীত অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

০০০০০০

গোলাঘাট জিলাৰ বন সংমণ্ডলে বন্যপ্ৰাণীৰ দ্বাৰা ক্ষতিগ্ৰস্ত লোকক সহজে ক্ষতিপৰণ প্ৰদানৰ উদ্দেশ্যে ব্যতিক্ৰমী প্ৰচেষ্টা হাতত লৈছে । ইয়াৰ অংশ হিচাপে ক্ষতিগ্ৰস্ত লোকসকলৰ বাবে মকলি আবেদন গ্ৰহণৰ ব্যৱস্থা কৰা হৈছে। গোলাঘাট জিলা বন বিষয়া সশীল কমাৰ ঠাকৰীয়া আৰু ৰাজহ চক্ৰ বিষয়া ৰনন্ময় ভদ্বাজে জিলাখনৰ ভিতৰত বন্যপ্ৰাণীৰ পৰা সৰ্বাধিক ক্ষতিগ্ৰস্ত হোৱা মৰঙী মৌজাৰ বকিয়াল বন খণ্ড কাৰ্যালয়ত নিজে উপস্থিত থাকি পীড়িতসকলৰ পৰা আবেদন গ্ৰহণ কৰিছে। চৰকাৰৰ স-শাসন কাৰ্যসচীৰ অংশস্বৰূপে গ্ৰহণ কৰা এই পদক্ষেপৰ লগতে বন বিভাগে ৰাইজৰ মাজলৈ গৈ এই সন্দৰ্ভত সজাগতা সৃষ্টিৰো ব্যৱস্থা কৰিছে।

০০০০০০

সমাপ্ত